যিয়ে শপত খোৱাৰ সময়ত লাত আৰু উজ্জাৰ শপত খাইছে, সি লা ইলাহা ইল্লাল্লাহ কোৱা উচিত। আনহাতে যিয়ে নিজৰ সংগীক এই বুলি কৈছে যে, আহা আমি জুৱা খেলোঁ, সি চাদাক্বাহ কৰা উচিত।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে শপত খোৱাৰ সময়ত লাত আৰু উজ্জাৰ শপত
খাইছে, সি লা ইলাহা ইল্লাল্লাহ কোৱা উচিত। আনহাতে যিয়ে নিজৰ সংগীক এই বুলি কৈছে যে,
আহা আমি জুৱা খেলোঁ, সি চাদাক্বাহ কৰা উচিত।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ বাহিৰে আনৰ শপত খোৱাৰ পৰা সতৰ্ক কৰিছে। কাৰণ মুমিন ব্যক্তিয়ে আল্লাহৰ বাহিৰে আন কাৰো শপত নাখায়। তেওঁ জনাইছে যে, যিয়ে আল্লাহৰ বাহিৰে আনৰ শপত খায়, উদাহৰণস্বৰূপে লাত আৰু উজ্জাৰ শপত খায়। লাত আৰু উজ্জা হৈছে দুটা মূৰ্ত্তিৰ নাম, অজ্ঞতা যুগত ইয়াৰ পূজা পাঠ কৰা হৈছিল। গতিকে ইয়াৰ নামত শপত খোৱা ব্যক্তিয়ে লগে লগে ইয়াৰ প্ৰায়শ্চিত্তস্বৰূপে আৰু শ্বিৰ্কৰ পৰা নিজকে মুক্ত ঘোষণা কৰি লা ইলাহা ইল্লাল্লাহ পাঠ কৰা উচিত। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, যিয়ে নিজৰ সংগীক কয় যে আহা আমি জুৱা খেলোঁ, এই খেলত দুজন বা ততোধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰে আৰু বিজয়ী হোৱা ব্যক্তিয়ে সম্পূৰ্ণ ধন লৈ যায়। উভয়ৰ যিকোনো এজন সম্পদ লাভ কৰি আনন্দিত হয় আৰু দ্বিতীয়জন পৰাজিত হৈ ঋনগ্ৰস্ত হয়। গতিকে এনেকুৱা এটা ক্ষতিকৰ কামৰ পিনে আহ্বান কৰাৰ কাৰণে সি চাদাক্বাহ কৰা উচিত।

http://www.sunnah.global/hadeeth/as/show/6379